অধ্যায় ৮ ঃ শব্দৰ ভুল প্ৰয়োগ, সমোচ্চাৰিত শব্দ, সমাৰ্থক শব্দ, বিপৰীত শব্দ, বাক-সংহতি

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য

৮.২ পৰিচয়

৮.৩ শব্দৰ ভুল প্ৰয়োগ

৮.৪ সমোচ্চাৰিত শব্দ

৮.৫ সমাৰ্থক শব্দ

৮.৬ বিপৰীত শব্দ

৮.৭ বাক-সংহতি

৮.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৮.৯ অধিক জানিবলৈ

৮.১০ অগ্ৰগতিৰ খতিয়ান

৮.১১ আৰ্হি প্ৰশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া ভাষা লিখোতে সততে ভুল কৰা শব্দসমূহৰ সম্যক পৰিচয় লাভ কৰিব
- সমোচ্চাৰিত শব্দ মানে কি সেই বিষয়ে ধাৰণা লাভ কৰি অসমীয়া ভাষাত ব্যৱহৃত বিভিন্ন সমোচ্চাৰিত শব্দ সম্পৰ্কে অৱগত হ'ব
- সমাৰ্থক শব্দ মানে কি সেই বিষয়ে ধাৰণা লাভ কৰি অসমীয়া ভাষাত ব্যৱহৃত বিভিন্ন সমাৰ্থক শব্দ সম্পৰ্কে জানিব পাৰিব
- বিপৰীত শব্দ মানে কি সেই বিষয়ে ধাৰণা লাভ কৰি অসমীয়া ভাষাত ব্যৱহৃত বিভিন্ন বিপৰীত শব্দবোৰৰ বিষয়ে জানিব পাৰিব
- বাক-সংহতিৰ বিষয়ে ধাৰণা লাভ কৰিব।

৮.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপুনি অসমীয়া ভাষাৰ জতুৱা ঠাঁচ আৰু খণ্ডবাক্য সম্পৰ্কে অধ্যয়ন কৰিলে। আপুনি নিশ্চয় জানে যে, আমি সকলোৱে নিজৰ মাতৃভাষা শুদ্ধকৈ ক'বলৈ আৰু লিখিবলৈ যত্ন কৰা উচিত। কিন্তু সাম্প্ৰতিক সময়ত দেখা গৈছে যে, আমি বহুলোকে

শুদ্ধকৈ অসমীয়া ভাষা লিখিব নোৱাৰোঁ। সততে ব্যৱহাৰ কৰি থকা শব্দ কিছুমনেই ভুলকৈ লিখো। লগতে সমোচ্চাৰিত কিন্তু বানানৰ পৃথকতা শব্দবোৰো আমি শুদ্ধকৈ লিখিব নাজানো। সেই বাবে এই দিশ দুটাত কিছু গুৰুত্ব প্ৰদান কৰিবৰ বাবেই এই অধ্যায়টোত সেয়া অন্তৰ্ভুক্ত কৰা হৈছে। লগতে অসমীয়া ভাষাত থকা সমাৰ্থক শব্দ, বিপৰীত শব্দ আৰু এটা শব্দত কেনেদৰে এটা বাক্যৰ অৰ্থ প্ৰকাশ কৰা হয় সেই বিষয়ে কিছু কথা অধ্যয়ন কৰিব বা বাক-সংহতি সম্পৰ্কে ধাৰণা লাভ কৰিব। অধ্যায়টোৰ অধ্যয়নে আপোনাক অসমীয়া ভাষাৰ কালিকা সম্পৰ্কে আৰু অলপ জ্ঞান প্ৰদান কৰিব।

৮.৩ শব্দৰ ভুল প্ৰয়োগ

অসমীয়া ভাষাৰ ভাষিক সমস্যাবোৰৰ ভিতৰত আটাইতকৈ ডাঙৰ সমস্যাটো হৈছে — আখৰ-জোঁটনিৰ সমস্যা। ইয়াৰ বাবেই অসমীয়া ভাষা চৰ্চাকাৰীসকলে বহু সময়ত বিবুধিত পৰা দেখা যায়। ইয়াৰ প্ৰধান কাৰণ কেইটামান হৈছে— অসমীয়া ভাষাত বৰ্তমানলৈকে প্ৰকাশিত বিভিন্ন অভিধানসমূহত অন্তৰ্ভুক্ত বহু শব্দৰ আখৰ-জোঁটনিৰ পাৰ্থক্য, অসমীয়া ভাষাবিদসকলৰ মাজত থকা মতৰ অমিল, শব্দ ব্যুৎপত্তি, ব্যাকৰণ ৰীতিৰ অস্পষ্টতা আৰু সৰ্বজন গ্ৰাহ্য এখন ব্যৱহাৰ বিধিৰ অভাব। এই সকলোবোৰ দিশ মনত ৰাখি এই অধ্যায়টোত অসমীয়া ভাষা লিখোতে সততে ভুল হোৱা শব্দ কিছুমানৰ তালিকা এখন দিয়া হ'ল।

ভুল ৰূপ	**শুদ্ধ ৰূপ**
অংকণ	অংকন
অকৰা	অঁকৰা
অবকাশ	অৱকাশ
অভ্যুথান	অভ্যুত্থান
অবশ্যে	অৱশ্যে
অনুস্থান	অনুষ্ঠান
অপবিত্ৰ	অপৱিত্ৰ
অনুস্বৰ	অনুস্বাৰ
অসম্ভব	অসম্ভৱ
আবেদন	আৱেদন
আঁপইতা	আপঁইতা
আইটী	আইটি
আঘাট	আঘাত
আনুনাসিক	অনুনাসিক
আঢ্যবন্ত	আঢ্যৱন্ত

আবাহন	আৱাহন
আয়ত্ত	আয়ত্ব
আৱিস্কাৰ	আৱিষ্কাৰ
আৱশ্যকীয়তা	আৱশ্যকতা
ইকৰাণি	ইকৰানি
ইন্দ্রজিত	ইন্দ্রজিৎ
উৎকৃষ্টতম	উৎকৃষ্ট
উভটি	উভতি
উৰ্চগা	উছৰ্গা
উফৰাই	ওফৰাই
উৰ্ধ	ঊৰ্ধ্ব
উৰ্মি	ঊৰ্মি
একাখি	একাষি
এচাৰি	এছাৰি
একত্রিত	একত্র
একেধাৰে	একাধাৰে
ঐক্যতান	ঐকতান
ঐক্যতা	ঐক্য বা একতা
ওতঃপ্রোত	ওতপ্রোত
ওভটাই	ওভতাই
ওকণী	ওকণি
ওপচি	উপচি
ওভোটা	ওভোতা
কঁপাহ	কপাহ
কণিষ্ঠ	কনিষ্ঠ
কল্যান	কল্যাণ
কাকুতি	কাকূতি
কণ্ঠ	কণ্ঠ
কণ্যা	কন্যা
কাঁচ	কাচ
কানযাৰ	কানসাৰ
খক	খকঁ
খুটা	খুঁটা

খৃষ্ট	খ্ৰীষ্ট
খাজানা	খাজনা
গগণা	গগনা
গড্ডালিকা	গড্ডলিকা
গধুলি	গধূলি
গ্রহন	গ্রহণ
গোহাৰী	গোহাৰি
ঘত	ঘট
ঘাঁ	ঘা
ঘূণীয়া	ঘুণীয়া
ঘ্রান	ঘ্রাণ
চকিদাৰ	চকীদাৰ
চন্দ্রাতাপ	চন্দ্রতাপ
চৰাই-চিৰিকতি	চৰাই-চিৰিকটি
চলনা	ছলনা
চেউৰী	চেঁউৰী
ছফৰ	চফৰ
ছমন	চমন
ছাফা	চাফা
ছেকনি	ছেকনী
জৰিত	জড়িত
জৰিপ	জৰীপ
জাগৰুক	জাগৰ্ক
টঙীঘৰ	টঙিঘৰ
টিৱা	তিৱা
টোকাৰি	টোকাৰী
থন	ঠন
থৰঙা	ঠৰঙা
ঠিৰাং	থিৰাং
ঠোৰতে	থোৰতে
ডবা	দবা
ডোল	দোল
ঢল	ধল

ঢেকীয়া	ঢেঁকীয়া
তত্ব	তত্ত্ব
তথাপিও	তথাপি
তাৰোপৰি	তদুপৰি
তৰাণ্বিত	তৰান্বিত
ত্রিভূজ	ত্রিভুজ
থানি	ঠানি
থেৰেঙা	ঠেৰেঙা
দাংকোপ	ডাংকোপ
দীপ্তী	দীপ্তি
দাৰিদ্রতা	দৰিদ্রতা
ধুমপান	ধূমপান
ধুলি	ধূলি
ধকুনা	ঢকুনা
নমষ্কাৰ	নমস্কাৰ
নঞার্থক	নঞৰ্থক
নাইকীয়া	নাইকিয়া
নিৰূপায়	নিৰুপায়
নুপুৰ	নূপুৰ
পূণ্য	পুণ্য
পদুলি	পদূলি
পৰিস্কাৰ	পৰিষ্কাৰ
পুজা	পূজা
প্ৰৱনতা	প্ৰৱণতা
প্ৰৱন্ধ	প্ৰবন্ধ
প্রসাদ	প্রাসাদ
ফেচা	ফেঁচা
ফনি	ফণি
ফিটাহি	ফিতাহি
বগৰি	বগৰী
বগলি	বগলী
বননী	বননি
বঠা	ব'ঠা

বাঞ্চনীয়	বাঞ্ছনীয়
ভংগীমা	ভংগিমা
ভূল	ভুল
ভূৱন	ভুৱন
ভুত	ভূত
মছলা	মচলা
মর্যদা	মর্যাদা
মনোবাঞ্চা	মনোবাঞ্ছা
মৌণতা	মৌণ
মূর্ধণ্য	মূর্ধন্য
যোৱাকালি	কালি
যদ্যাপি	যদ্যপি
যুজ	যুঁজ
ৱমণ্যাস	ৱমন্যাস
ৱেফ	ৱে'ফ
ৰুটি	ৰুটী
ৰাজনীতিক	ৰাজনীতিজ্ঞ
লঘূ	লঘু
লাঠি	লাঠী
লাহৰি	লাহৰী
লাড়ু	লাৰু
লেথা	লেঠা
শণি	শনি
শপথ	শপত
শাওন	শাওণ
শূণ্য	শূন্য
শেৱালী	শেৱালি
শ্বাশ্বত	শাশ্বত
সাঁঠ	ষাঁঠ
সংকত	সংকট
সংঘাট	সংঘাত
সমভাৱ	সমভাব
সমোচিত	সমুচিত

সূঁতি	সুঁতি
সুক্ষ্ম	সূক্ষ্ম
স্বতঃস্ফুর্ত	স্বতঃস্ফূর্ত
হাওঁফাওঁ	হাঁওফাঁও
হিচাবে	হিচাপে
হেচা	হেঁচা
ক্ষীপ্র	ক্ষিপ্র
ক্ষুন্ন	ক্ষুণ্ণ

এইবোৰৰ উপৰি আৰু বহুতো শব্দ আছে, যিবোৰৰ আমি ভুল প্ৰয়োগ কৰি থাকোঁ। অসমীয়া ভাষা শুদ্ধকৈ লিখিবলৈ হ'লে আমি শব্দবোৰৰ শুদ্ধ বানান বা আখৰ-জোঁটনি শুদ্ধকৈ শিকা উচিত। আপুনিও বজাৰত উপলব্ধ এই বিষয়ৰ কিতাপ হাতপুথি হিচাপে গ্ৰহণ কৰি শুদ্ধ আখৰ-জোঁটনি শিকিবলৈ চেষ্টা কৰক।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ তলত লিখা বানান কেইটা শুদ্ধকৈ লিখক—

উশৃংখল, উল্লেখিত, চলমান, তকলা, থৰঙা, নুন্যতম, পঞ্চবান

.....

.....

৮.৪ সমোচ্চাৰিত শব্দ

অসমীয়া ব্যাকৰণ সম্পৰ্কে অধ্যয়ন কৰোঁতে আপুনি পাই আহিছে যে, অসমীয়া ভাষাত যিমানখিনি আখৰ ব্যৱহাৰ কৰা হয়, সিমান সংখ্যক ধ্বনি উচ্চাৰিত নহয়। সেইবাবে সমোচ্চাৰিত কিন্তু ভিন্ন অৰ্থ থকা বিবিধ শব্দৰে অসমীয়া ভাষাৰ শব্দভাণ্ডাৰ ভৰি আছে। তলত তাৰে কিছুমান শব্দ উল্লেখ কৰি অৰ্থও উল্লেখ কৰা হৈছে। সকলোখিনি এই অধ্যায়টোত সন্নিৱিষ্ট কৰা সম্ভৱ নহয়, সেয়ে আপুনি বুজি পাবৰ বাবেহে এনে শব্দ কিছুমান তলত উল্লেখ কৰা হ'ল—

শব্দ	**অৰ্থ**
অণু	পদাৰ্থৰ অতি ক্ষুদ্ৰ অংশ
অনু	উপসৰ্গ-বিশেষ্য
আঁটা	জোৰা মৰা
আঁতা	চাফ-চিকুন কৰা
অটল	দৃঢ়
অতল	দ বা গভীৰ

অন্তঃ	মাজৰ
অন্ত্য	শেষত থকা
আঁচল	চাদৰৰ আগ
আচল	যিটো নকল নহয়
আঁতৰ	ওচৰৰ বিপৰীত
আতৰ	সুবাসযুক্ত তেল বা ৰস
আঁহত	এবিধ বৃক্ষ
আহত	যাৰ জখম হৈছে
আলি	ওখ পথ
আলী	উপাধি-বিশেষ
ইটি	এইটি
ইতি	সমাপ্ত
উক	পুনৰ প্ৰভাৱী হোৱা অৱস্থা
ওক	এবিধ বৃক্ষ
উৰুমি	কপৌ, পাৰ আদি চৰাইৰ ৰুণ
ঊৰুমি	কোৰ্হাল
এৰি	ত্যাগ কৰা
এৰী	এবিধ পলু
এসাঁজ	এবাৰত খাবৰ জোখৰ
এসাজ	ব্যক্তি-বিশেষৰ সম্পূৰ্ণ পোচাক
ওষধি	এবাৰহে ফল দিব পৰা (উদ্ভিদ)
ঔষধি	ঔষধৰ গুণযুক্ত
কঁথা	নিহালি
কথা	বচন
কঠা	মাটিৰ এটা জোখ
কথা	বচন
কাঁহ	এবিধ ধাতু
কাহ	এবিধ ৰোগ
কালি	পাৰ হৈ যোৱা দিন, মাছ মৰাৰ যতন বা বাদ্য-বিশেষ
কালী	দূৰ্গাদেৱীৰ এটা ৰূপ
কুলি	চৰাই-বিশেষ
কুলী	বনুৱা
খাট	খুৱাযুক্ত সাধাৰণ বিচনা

খাত	পাম
গাঁও	গ্ৰাম
গাওঁ	গীত-মাত পৰিৱেশন কৰোঁ
গিৰি	পৰ্বত
গিৰী	গৰাকী
ঘাঁটি	নাকৰ ভিতৰৰ নোম
ঘটী	পাত্ৰ-বিশেষ
চটা	চেপেটা বস্তু
ছটা	পোহৰৰ ৰশ্মি
চিন	দাগ বা চিহ্ন
চীন	এখন দেশৰ নাম
চুটি	দীঘলৰ বিপৰীত
ছুটি	কামৰ পৰা সাময়িক অৱসৰ লোৱা
ছাটি	মৃদু বতাহৰ গতি
ছাতি	ৰ'দ-বৰষুণত লোৱা এবিধ বিশেষ যতন
জলা	পোৰণি জন্মাব পৰা
জ্বলা	জুই লগা
জিন	ঘোঁৰাৰ পিঠিত লগোৱা আসন
জীণ	হজম
টল	মন প্ৰভাৱিত হ
তল	অধীনত
টলা	স্থিতিৰ পৰা আঁতৰা
তলা	দুৱাৰ আদি বন্ধ কৰা এবিধ যতন
টিকা	অলপ ওখ ঠাই, কঁকালৰ নিম্নভাগ, বসন্তৰ ছিটা
টীকা	গ্ৰন্থৰ বিষয়বস্তুৰ সংক্ষিপ্ত ব্যাখ্যা
ঠৰ	ঠৰঙা
থৰ	স্থিৰ; ধানৰ পাঁচ বা ছয় মুঠিৰ সমষ্টি
ডবা	তললৈ হেঁচা মাৰি ধৰ
দবা	চতুৰংগ খেল; এবিধ বাদ্য
ঢল	কাতি হ
ধল	বানপানী
তুলা	এটা ৰাশি, শিমলু কলৰ পৰা পোৱা আঁহ
তোলা	সোণ আদি খোজাৰ একক

তেওঁ	মান্যাৰ্থত সেইজন
তেও	তথাপি
থুৰিয়া	তামোল আদি ভৰাই পাণেৰে থুৰ সাজ
থুৰীয়া	কাণত পিন্ধা অলংকাৰ বিশেষ
দিন	ৰাতিৰ বিপৰীত
দীন	দৰিদ্ৰ
দেউ	পুৰোহিতক কৰা উচ্চাৰণ
দেও	ভূত-পিশাচ
দণ্ড	শাস্তি
দ্বন্দ্ব	কাজিয়া, সংঘাত
নাৰী	মহিলা
নাড়ী	ৰক্তবাহী নলী
নীৰ	পানী
নীড়	চৰাইৰ বাহ
পাণ	খাবলৈ ব্যৱহাৰ পৰা এবিধ গছৰ পাত
পান	পি খোৱা কাৰ্য
পাণি	হাত
পানী	তৰল দ্ৰব্য-বিশেষ
পুৰা	চাৰি বিঘা মাটি
পূৰা	পূৰ্ণ কৰ
ফেণা	সাপৰ ফেঁট
ফেনা	মুখেৰে ফেন ওলা
বঁটা	পুৰস্কাৰ
বটা	এবিধ যতন
বাহ	চৰাই থকা আশ্ৰয়স্থল, জাৰ (মৌবাহ)
বাঁহ	এবিধ ওখ তৃণ
বাটি	ধাতুৰ ঘূৰণীয়া পাত্ৰ, তাঁতৰ ‘ব’ৰ এভাগ
বাতি	বস্তি
বেছি	সৰহ
বেচি	বিক্ৰী কৰি
ভাট	প্ৰশস্তি গাওঁতা
ভাত	অন্ন
ভেঁটী	ঘোচ

ভেটি	ঘৰ সজা ওখ ঠাই
মাটি	মৃত্তিকা
মাতি	আমন্ত্ৰণ কৰি
মিটা	বিবাদ নিষ্পত্তি কৰ
মিতা	সখা
ৰচ	ৰচনা কৰা
ৰছা	জৰী
ৰুৱা	চালৰ তলত পথালিকৈ বন্ধা গোটা বাঁহ
ৰোৱা	ৰোপণ কৰা কঠিয়া
লাঠী	লাখুটি
লাথি	ভৰি বা ঠেঙেৰে কৰা আঘাত
শৰ	কাঁড়, পহু বিশেষ
সৰ	তপত গাখীৰৰ ওপৰৰ চামনি
শীহ	ধানৰ থোক
সীহ	এবিধ ধাতু
সি	তুচ্ছাৰ্থত সেইজন
সী	কাপোৰ আদি চিলা
সুধি	প্ৰশ্ন কৰি
সুধী	জ্ঞানী
হাট	সপ্তাহৰ নিৰ্দিষ্ট দিনত বহা বজাৰ
হাত	দেহৰ অংগ বিশেষ, কৰ

এইবোৰৰ উপৰি আৰু বহুতো সমোচ্চাৰিত শব্দ আছে। আপুনি বজাৰত উপলব্ধ বিভিন্ন ব্যাকৰণৰ পুথিৰ লগতে অসমীয়া ছফ্‌টৱেৰ প্ৰকল্পই প্ৰকাশ কৰা *ভূল ভুল* কিতাপখন হাতপুথি হিচাপে গ্ৰহণ কৰি অসমীয়া সমোচ্চাৰিত শব্দসমূহ শিকিবলৈ চেষ্টা কৰক।



জানি থোৱা ভাল

অসমীয়া ভাষাত এনে কিছুমান শব্দ আছে যিবোৰ আখৰ-জোঁটনি দুই তিনি ধৰণে পোৱা যায়। সেই বোৰ শব্দ উভয় ৰূপতে শুদ্ধ। উদাহৰণ স্বৰূপে— তমাল, তঙাল (কুমলীয়া বাঁহৰ লেহুকা কাঠী); চিয়াঁহি, চিঞাহী (কলমৰ ভৰাই লোৱা জুলীয়া দ্ৰব্য); অৰ্জন, আৰ্জন (উপাৰ্জন); আজলা, অজলা (হোজা); আইজং, আইজোং (এজাতি ধান); ইত্যাদি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ তলত দিয়া সমোচ্চাৰিত শব্দসমূহৰ অৰ্থ লিখক— চল, ছল; টান, তান; শূৰ, সুৰ

.....

.....

৮.৫ সমাৰ্থক শব্দ

কোনো ভাষাত ব্যৱহাৰ হোৱা শব্দবোৰে ভাষাটোৰ শব্দ ভাণ্ডাৰ নিৰ্ণিত হয়। ভাষাৰ শব্দ ভাণ্ডাৰত শব্দৰ সংখ্যা বেছি থাকিলে ভাষাৰ প্ৰকাশিকা শক্তি বৃদ্ধি পায়। মন কৰিবলগীয়া যে অসমীয়া ভাষাত এনে কিছুমান শব্দ আছে যিবিলাক শব্দ ঠাই বিশেষত বেলেগ বেলেগ অৰ্থত ব্যৱহৃত হয়; অৰ্থাৎ একে অৰ্থ প্ৰকাশ কৰে। তেনে শব্দবোৰক সমাৰ্থক শব্দ বুলি অভিহিত কৰা হয়। তলত অসমীয়া ভাষাত ব্যৱহৃত কিছু সমাৰ্থক শব্দৰ উদাহৰণ দাঙি ধৰা হ'ল—

অধিপতি	গৰাকী
অনুবাদ	তৰ্জমা
অবিদিত	অজ্ঞাত
অঙ্ক	লেখাৰ চিন, নাটকৰ আখ্যা, কোলা
আকাশ	গগণ, শূন্য
আদ্যোপান্ত	সমস্ত, সমগ্ৰ
আদৰ	সাদৰ, চেনেহ
উৎকৃষ্ট	উত্তম, ভাল
কলহ	বিবাদ
কাজ	কাম
কন্যা	ছোৱালী, বালিকা
গছ	বৃক্ষ, তৰু
ঘৰ	গৃহ, আবাস, ভৱন, নিলয়, আলয় আদি
চকু	চক্ষু, নেত্ৰ, নয়ন, অক্ষি
চন্দ্ৰ	জোন, শশধৰ
তপত	গৰম
দিন	দিবস
দৃষ্টান্ত	নজীৰ, উদাহৰণ
নদী	নৈ, তটিনী

পদুম	পংকজ, কমল, পদ্ম, শতদল, শতপত্ৰ, অৰবিন্দ
পৰ্বত	গিৰি
পৃথিৱী	ধৰণী, মেদিনী, ধৰা, বসুমতী, ধৰিত্ৰী
হাতী	হস্তি, গজ, মাতংগ, ঐৰাৱত
ৰাতি	নিশা, ৰজনী, যামিনী
শশী	চন্দ্ৰ, জোন
লালট	সৌন্দৰ্য
সূৰ্য	দিবাকৰ, বেলি, ৰবি, দিননাথ, ভানু, ভাস্কৰ, প্ৰভাকৰ
মিত্ৰ	বন্ধু, সখা, সখি, মিতা, বান্ধ, বান্ধে
শিৱ	সদাশিৱ, ভোলানাথ, ত্ৰিনয়ন, মহেশ্বৰ, পিনাকী, নীলকণ্ঠ
পানী	জল, উদক, অপ, অম্বু

এইবোৰৰ উপৰি আৰু বহুতো শব্দ আছে, যিবোৰৰ সমাৰ্থক শব্দ অসমীয়া ভাষাত প্ৰচলন হৈ আছে। আপোনাৰ অসমীয়া ভাষাৰ শব্দ ভাণ্ডাৰ বৃদ্ধি কৰিবলৈ আপুনি এনে সমাৰ্থক শব্দবোৰ শিকিবলৈ চেষ্টা কৰা উচিত। বজাৰত উপলব্ধ প্ৰতিখন ব্যাকৰণৰ পুথিতে এনে শব্দ উল্লেখ আছে। আপুনি সেয়া সংগ্ৰহ কৰি নিজৰ শব্দ ভাণ্ডাৰ বৃদ্ধি কৰিবলৈ যত্ন কৰক।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ তলত দিয়া শব্দসমূহৰ সমাৰ্থক শব্দ লিখক—

মুখ, সঞ্চয়, সদাগৰ, বাৰী

.....

.....

৮.৬ বিপৰীত শব্দ

একোটা ভাষা শব্দ ভাণ্ডাৰত কেনো শব্দৰ বিপৰীত অৰ্থবোধক শব্দও থাকে। অসমীয়া ভাষাৰ শব্দ-সম্ভাৰত থকা এনে বিপৰীত অৰ্থবোধক শব্দই ভাষাটোৰ বৰ্ণাঢ্য ৰূপৰেই কথা আমাক জনায়। তলত অসমীয়া ভাষাৰ কিছু বিপৰীত শব্দ উল্লেখ কৰা হ'ল।

মূল শব্দ	**বিপৰীত শব্দ**
অনু	বৃহৎ
অভ্যাস	অনভ্যাস
অনুগ্ৰহ	নিগ্ৰহ
অনুৰাগ	বিৰাগ
অধম	উত্তম

অৰ্পণ	গ্ৰহণ
অনুকূল	প্ৰতিকূল
অলপ	বেছি
অহংকাৰ	নিৰাহংকাৰ
অন্তৰ	বাহিৰ
অসীম	সসীম
আৱাহন	বিসৰ্জন
আধুনিক	প্ৰাচীন
আপদ	সম্পদ
আস্তিক	নাস্তিক
আয়তী	বিধবা
আকাশ	পাতাল
আৰ্য	অনাৰ্য
আয়	ব্যয়
আপোন	পৰ
উদয়	অস্ত
উচ্চ	নীচ
ওখ	চাপৰ
ওপৰত	তলত
কণিষ্ঠ	জ্যেষ্ঠ
কৃতজ্ঞ	অকৃতজ্ঞ
ক'লা	বগা
কৃত্ৰিম	অকৃত্ৰিম
কেতিয়া	যেতিয়া
গুণ	দোষ
গুৰু	লঘু / শিষ্য
গৰিষ্ঠ	লঘিষ্ঠ
গৃহস্থী	সন্ন্যাসী
গধুৰ	পাতল
গভীৰ	তৰাং
গহীন	চঞ্চল
গুপ্ত	প্ৰকাশ
গাঁও	নগৰ

ঘন	সেৰেঙা
চহকী	দুখীয়া
জন্ম	মৃত্যু
জ্ঞানী	অজ্ঞানী
জীৱন	মৰণ
তাকৰ	সৰহ
তিৰষ্কাৰ	পুৰষ্কাৰ
ডেকা	বুঢ়া
ডাঠ	পাতল
দৃশ্য	অদৃশ্য
দ	বাম
দিন	ৰাতি
দেৱতা	অসুৰ
ধনী	দুখীয়া
নগদ	বাকী
নির্দোষী	দোষী
প্ৰচুৰ	অলপ
প্ৰশ্ন	উত্তৰ
পবিত্ৰ	অপবিত্ৰ
বাজ	ভিতৰ
বিৱহ	মিলন
বিখ্যাত	অখ্যাত
বৈধ	অবৈধ
বন্ধু	শত্ৰু
বিষ	অমৃত
ভাল	বেয়া
বগা	ক'লা
ভীৰু	সাহসী
মিত্ৰ	শত্ৰু
ৰজা	প্ৰজা
লোভ	নির্লোভ
লাভ	লোকচান
শুদ্ধ	ভুল

শীত	গ্ৰীষ্ম
সভ্য	অসভ্য
সৰল	জটিল
সাধু	অসাধু
হৰ্ষ	বিষাদ
হিংসা	অহিংসা
সোঁ	বাঁও
হৰণ	পূৰণ

এইবোৰৰ উপৰি আৰু বহুতো শব্দ আছে, যিবোৰৰ বিপৰীত শব্দ অসমীয়া ভাষাত প্ৰচলন হৈ আছে। আপুনি এনে বিপৰীত শব্দবোৰ শিকিবলৈ চেষ্টা কৰা উচিত । বজাৰত উপলব্ধ প্ৰতিখন ব্যাকৰণৰ পুথিতে এনে শব্দ উল্লেখ আছে। আপুনি সেয়া সংগ্ৰহ কৰি নিজৰ শব্দ ভাণ্ডাৰ বৃদ্ধি কৰিবলৈ যত্ন কৰক।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ তলত দিয়া শব্দসমূহৰ বিপৰীত শব্দ লিখক—

সহযোগী, সন্ধি, সংযোগ, সাম্য, শকত

.....

.....

৮.৭ বাক-সংহতি

সংক্ষিপ্ততা যিকোনো ভাষাৰে এটা প্ৰধান গুণ বুলিয়েই ক'ব পাৰি। কম কথাৰে বহু অৰ্থ প্ৰকাশ কৰিবলৈ মানুহে যত্ন কৰে আৰু তেনে প্ৰক্ৰিয়াকে বাক-সংহতি বুলি অভিহিত কৰা হয়। বাক-সংহতিৰ দ্বাৰা ভাষা শুনিবলৈ শুৱলা হয় আৰু মূলতঃ বাক্যাংশৰ প্ৰতি শব্দৰে বা সমাসৰ দ্বাৰা এনে বাক-সংহতি কৰা হয়। তলত কেইটামান উদাহৰণ উল্লেখ কৰা হ'ল।

বহুপদ	**একপদ**
যাৰ ঋণ নাই	অঋণী
যাৰ পুত্ৰ নাই	অপুত্ৰক
বাঘৰ আগ তেল খোৱা	অঘাইতং
জানুলৈকে ওলমি পৰা	অজানুলম্বিত
গোটেই জীৱন	আজীৱন
এটা সন্তান থকা তিৰোতা	একুতী
কাৰো নাম নধৰাকৈ পৰা গালি	গুৱাল-গালি

কাৰো সৈতে মিলিব নোৱৰা লোক	অজীনাশী
ততালিকে বুদ্ধি উলিয়াব পৰা শক্তি	প্ৰত্যুৎপন্নমতি
পনীয়া গাখীৰ দিয়া গাই গৰু	জলাহী গাই
আদিৰ পৰা অন্তলৈকে	আদ্যোপান্ত
উপকাৰ স্বীকাৰ কৰা	কৃতজ্ঞ
যাৰ পূৰ্বজন্মৰ কথা মনত আছে	জাতিস্মৰ
তিনি কালৰ কথা যিজনে জানে	ত্ৰিকালজ্ঞ
যি বিয়া কৰোৱা নাই	ডঙুৱা, আবিয়ৈ
কষ্টেৰে যাক পাব পাৰি	দুৰ্লভ
যি নিৰামিষ আহাৰ কৰে	নিৰামিষাৰী
আনৰ উন্নতি দেখিব নোৱৰা	পৰশ্ৰীকাতৰ, চকুচৰহা
পুৰণি হৈ ভেঁকুৰা চাউল	মলঙা
কঁঠালৰ সৰু সৰু কলি	মুচি
শিং নথকা গৰু	লাওমূৰা
যি শত্ৰুক বধ কৰিছে	শত্ৰুঘ্ন
একেলগে যি পঢ়ে	সহপাঠী
একেজনা গুৰুৰ শিষ্য	হৰিভকত, সতীৰ্থ
সিজাই খাবলৈ অনা কলৰ পুলি	পচলা
যি গুণিৰ গুণ বুজিব পাৰে	গুণগ্ৰাহী
যাক সহজে পাব পাৰি	সুলভ

এইবোৰৰ উপৰি আৰু বহুতো বহুপদ আছে, যিবোৰ বাক সংহতি কৰিব পাৰি। আপুনি এনে বহুপদবোৰৰ বাক সংহতি মনত ৰাখিবলৈ চেষ্টা কৰক। বজাৰত উপলব্ধ প্ৰতিখন ব্যাকৰণৰ পুথিতে বাক সংহতিৰ একোখনকৈ তালিকা আছে। আপুনি সেয়া সংগ্ৰহ কৰি নিজৰ শব্দ ভাণ্ডাৰ বৃদ্ধি কৰিবলৈ যত্ন কৰক।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ এটা শব্দত প্ৰকাশ কৰক — ক্ষমতাৰ বাহিৰে আলোচনা, পৰিমাণকৈ অতিৰিক্ত ব্যয়, ভৰিৰ পৰা মূৰলৈকে, শৰীৰ-মন আৰু বাক্যৰ দ্বাৰা, যি বস্তু চেলেকি খোৱা যায়

.....

.....

.....



৮.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অসমীয়া ভাষা লিখোতে সততে ভুল হোৱা শব্দ কিছুমানৰ তালিকা এখন দিয়া হ'ল।
- সমোচ্চাৰিত কিন্তু ভিন্ন অর্থ থকা বিবিধ শব্দৰে অসমীয়া ভাষাৰ শব্দভাণ্ডাৰ ভৰি আছে। তাৰে কিছুমান শব্দ উল্লেখ কৰি অর্থও উল্লেখ কৰা হৈছে।
- অসমীয়া ভাষাত এনে কিছুমান শব্দ আছে যিবিলাক শব্দ ঠাই বিশেষত বেলেগ বেলেগ অর্থত ব্যৱহৃত হয়; অর্থাৎ একে অর্থ প্ৰকাশ কৰে। তেনে শব্দবোৰক সমাৰ্থক শব্দ বুলি অভিহিত কৰা হয়।
- একোটা ভাষা শব্দ ভাণ্ডাৰত কোনো শব্দৰ বিপৰীত অর্থ বোধক শব্দও থাকে। অসমীয়া ভাষাৰ শব্দ-সম্ভাৰত থকা এনে বিপৰীত অর্থবোধক শব্দই ভাষাটোৰ বর্ণাঢ্য ৰূপটোৰ কথা প্ৰতিপন্ন কৰে।
- সংক্ষিপ্ততা যিকোনো ভাষাৰে এটা প্ৰধান গুণ বুলিয়েই ক'ব পাৰি। কম কথাৰে বহু অর্থ প্ৰকাশ কৰিবলৈ মানুহে যত্ন কৰে আৰু তেনে প্ৰক্ৰিয়াকে বাক-সংহতি বুলি অভিহিত কৰা হয়। বাক-সংহতিৰ দ্বাৰা ভাষা শুনিবলৈ শুৱলা হয় আৰু মূলতঃ বাক্যাংশৰ প্ৰতি শব্দৰে বা সমাসৰ দ্বাৰা এনে বাক-সংহতি কৰা হয়।



৮.৯ অধিক জানিবলৈ

১) কটকী, প্ৰফুল্ল (২০০৫); *সাহিত্য-সংজ্ঞা কোষ;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।
২) ঠাকুৰীয়া, ৰামমল (১৯৭১);*সাহিত্য বিচাৰ;* গুৱাহাটী ঃ লক্ষ্মী প্ৰকাশ।
৩) ডেকা আৰু ডেকা(২০০৯); *ৰচনা প্ৰবাহ;* গুৱাহাটী।
৪) ডেকা, ধর্মসিংহ (২০০৭); *ৰচনা বিচিত্ৰা;* গুৱাহাটী।
৫) ফুকন পাটগিৰি, দীপ্তি (১৯৯৯);*আধুনিক অসমীয়া ব্যাকৰণ;* গুৱাহাটী ঃ বুক হাইভ।
৬) বৰা, সত্যনাথ (১৯৯৮); *বহল ব্যাকৰণ;* গুৱাহাটী।
৭) বৰুৱা, তুলতুল(২০০৮)(সম্পাঃ);*অসমীয়া ৰচনা সংকলন;* গুৱাহাটী ঃ ষ্টুডেণ্টচ্ ষ্ট'ৰচ।



৮.১০ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ উচ্ছৃংখল, উল্লিখিত, চলন্ত, টকলা, ঠৰঙা, ন্যুনতম, পঞ্চবাণ

২ নং প্ৰশ্নৰ উত্তৰ ঃ চল ঃ সুযোগ-সুবিধা

ছল ঃ প্ৰবঞ্চনা টান ঃ কঠিন

তান ঃ গানৰ সুৰ শূৰ ঃ বীৰ

সুৰ ঃ দেৱতা

৩ নং প্ৰশ্নৰ উত্তৰ ঃ মুখ — বদন; সঞ্চয়— জমা; সদাগৰ— বেপাৰী, মুদৈ; বাৰী—বিধবা।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ সহযোগী — প্ৰতিযোগী, সন্ধি — বিগ্ৰহ, সংযোগ — বিয়োগ, সাম্য — বৈষম্য, শকত — ক্ষীণ।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ক্ষমতাৰ বাহিৰে আলোচনা — অনধিকাৰচৰ্চা, পৰিমাণকৈ অতিৰিক্ত ব্যয় — অমিতব্যয়ী, ভৰিৰ পৰা মূৰলৈকে — আপদমস্তক, শৰীৰ-মন আৰু বাক্যৰ দ্বাৰা — কায়মনোবাক্যে, যি বস্তু চেলেকি খোৱা যায় — লেহ।



৮.১১ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত লিখা বানান কেইটা শুদ্ধকৈ লিখক—

খৰাহী, খেৰ-কূটা, খ্যাতিৰন্ত, ছজিনা, ছফেদ, তেষষ্টি, ত্ৰিভূজ

প্ৰশ্ন ২ ঃ তলত দিয়া সমোচ্চাৰিত শব্দসমূহৰ অৰ্থ লিখক— ইকান-সিকান, ইকাণ-সিকাণ; উদ্ধাৰ, উধাৰ; জোঁৰ, জোৰ, যোৰ; ফেৰী, ফেৰী।

প্ৰশ্ন ৩ ঃ তলত দিয়া শব্দসমূহৰ সমাৰ্থক শব্দ লিখক— অগ্নি, ঈশ্বৰ, মেঘ, ৰজা।

প্ৰশ্ন ৪ ঃ তলত দিয়া শব্দসমূহৰ বিপৰীত শব্দ লিখক— আগ, আস্থা, আচাৰ, আপোন।

প্ৰশ্ন ৫ ঃ এটা শব্দত প্ৰকাশ কৰক —তাৰৈৰ পত্নী, একেলগে ওপজা সন্তান, গোটেই জীৱন জুৰি।

*** ***** ***